
সামাজিক শিক্ষা বিভাগ

# আদি পাঠ

## দ্বিতীয় ভাগ

"অন্ধকাৰৰপৰা মোক পোহৰলৈ নিয়া।
অজ্ঞতাৰপৰা জ্ঞানৰ পথ দেখুৱা।
মৃত্যুৰপৰা নি অমৰত্ব দান কৰা।"
—উপনিষৎ



৺শৰৎচন্দ্ৰ গোস্বামী I. S. O
ইনস্‌পেক্টৰ অব স্কুলচ প্ৰণীত

# প্ৰথম পাঠ।

## আমাৰ দেশ।

(১)

ৰ+ষ=র্ষ, বৰ্ষ　　প+ৰ=প্ৰ, প্ৰদেশ
ৰ+ব=র্ব, পৰ্বত　　ক+ৰ=ক্ৰ, পৰাক্ৰম
ৰ+থ=র্থ, অৰ্থ　　ম+ৰ=ম্ৰ, সম্ৰাট

আমি পঢ়ি অহা আদি পাঠত কৈ আহিছোঁ যে আমি এতিয়া আমাৰ দেশৰ কথা পঢ়িম। আমাৰ দেশ-খনৰ নাম ভাৰতবৰ্ষ। ভাৰতবৰ্ষ বৰ ডাঙৰ দেশ। অসম-খন ভাৰতবৰ্ষৰ এটা ভাগ। দেশৰ এনেকুৱা ভাগক প্ৰদেশ বোলা হয়। অসমখন এখন প্ৰদেশ হে। পাছে বহু দিন স্বকীয়া দেশ হৈ আছিল দেখি আমি অসমখনকো দেশ বোলোঁ।

পূৰ্বে ভৰত নামেৰে এজন প্ৰবল পৰাক্ৰমী সম্ৰাট আছিল। তেওঁৰ নাম অনুসৰি আমাৰ দেশৰ নাম ভাৰতবৰ্ষ হল। বৰ্ষ কথা আষাৰৰ অৰ্থ দেশ। ভাৰতবৰ্ষৰ অৰ্থ সম্ৰাট ভৰতে শাসন কৰা দেশ।

ভাৰতবৰ্ষৰ পূব ফালে অসম প্ৰদেশ। অসম প্ৰদেশ পাৰ হৈ পূবলৈ গলে মানৰ দেশ পোৱা যাব। এই দেশক ব্ৰহ্ম দেশো বোলে।

## দ্বিতীয় পাঠ।

### আমাৰ দেশ

(২)

দ+ব=দ্ব, দ্বিতীয় ত+ত=ত্ত, উত্তৰ

ঙ+গ=ঙ্গ, শৃঙ্গ

আমাৰ দেশৰ উত্তৰ ফালে হিমালয় পৰ্বত। হিম অৰ্থ বৰফ বা পানী চেঁচা

হৈ হোৱা শিল। আলয় অৰ্থ ঘৰ বা থকা ঠাই। এতেকে হিমালয় অৰ্থ হিম থকা ঠাই। এই পৰ্বতৰ ওপৰত বাৰেও মাহ হিম থাকে দেখি ইয়াক হিমালয় পৰ্বত বোলে।

হিমালয় বৰ ওখ পৰ্বত। ইয়াৰ কেইটামান শৃঙ্গ প্ৰায় পাঁচ মাইল ওখ আছে। ইয়াৰ সমান ওখ পৰ্বত পৃথিবীত আৰু নাই। হিমালয়ত নানা প্ৰকাৰ পশু-পক্ষী আৰু হৰেক ৰকমৰ গছ-গছনি আছে। ইয়াৰ ভিতৰত নানা প্ৰকাৰ বহু-মূলীয়া ধাতুৰ খনিও পোৱা যায়।

উত্তৰৰ ফালে হিমালয়ে আমাৰ দেশ খন ৰক্ষা কৰি আছে। ই ইমান ওখ আৰু চেঁচা যে উত্তৰৰ ফালৰপৰা আমাৰ দেশ আক্ৰমণ কৰা বৰ টান।

আকৌ উত্তৰৰ ফালে এই ওখ পৰ্বত আছে দেখি আমাৰ দেশত বৰষুণো ভাল কৰি হয়। বৰষুণ ভাল হয় দেখি খেতি পথাৰ হয়। আৰু তাৰে পৰা আমাৰ ধন-ধান হয়। এইদৰে হিমালয়ৰপৰা আমাৰ অশেষ উপকাৰ হৈছে।

আমাৰ পিতৃ-পুৰুষ সকলে হিমালয়ক পৰ্বতৰ ৰজা বুলিছিল।

---

## তৃতীয় পাঠ।

পদ্য

দ+য=দ্য, বিদ্যা, পদ্য

ন+ধ=ন্ধ, আন্ধাৰ

বিদ্যা

বিদ্যাৰ সমান ধন নাই জগতত
মানুহ দেৱতা হয় বিদ্যাৰ বলত।

বিদ্যাৰ বলতে লোকে উৰে আকাশত,
বিদ্যাৰ বলতে যুঁজে পানীৰ তলত ।
বিদ্যা নাই যাৰ তাৰ দিনতে আন্ধাৰ,
বিদ্যাহীন জীৱনত সকলো অসাৰ ।
সকলো ধনৰ ধন বিদ্যা মহা ধন,
যত পাৰা সকলোৱে কৰা উপাৰ্জ্জন ।

শ্ৰীলক্ষেশ্বৰ শৰ্ম্মা বৰুৱা

## পদ্য আৰু গদ্য

স+থ=স্থ, মুখস্থ    ত+ন=ত্ন, যত্ন

ওপৰৰ পাঠটো পদ্যত লেখা । ইয়াৰ আগেয়ে যিবোৰ পাঠ পঢ়িলা সেইবোৰ গদ্যত লেখা । আমি যি দৰে কথা কওঁ সেইদৰে লেখিলে গদ্য হয় ।

পদ্যত লেখা কথা সুৰ লগাই গাব পাৰি । সহজ কথাত তাকে পদ বুলিও কয় ।

কীৰ্ত্তন, দশম, ৰামায়ণ, মহাভাৰত এই-বোৰ পদ্যত লেখা। সেইদেখি এই পুথি বোৰক পদ-পুথি বোলে।

ওপৰত দিয়া পদ্যটো মুখস্থ কৰিবা আৰু সুৰ লগাই গাবলৈ যত্ন কৰিবা।

ঘৰতো পদ-পুথি পঢ়িলে সুৰ লগাই গাবলৈ শিকিবা।

# চতুৰ্থ পাঠ।

ভ্য

আমি আখৰ লিখিব শিকিলোঁ।
এতিয়া হাতৰ আখৰ লিখা অভ্যাস কৰোঁ।
তলৰ শাৰী চাই লেখা।

লিখা-পঢ়া শিকা ভাল কথা।
তেহে আমি জনা বুজা হম।
আৰু উন্নতি কৰিব পাৰিম।
তেতিয়া আমাৰ দুখ গুচিব।
অভ্যাসৰ বলত সকলো সহজ হয়।

অভ্যাসৰ নৰ
কৰ্ণৰ পথে কৰে শৰ।

---

# পঞ্চম পাঠ

## আমাৰ দেশ

—ঃ০ঃ—

(৩)

শু

ঙ্খ ঙ্গ স্ক শ্ৰী স্ত ন্য জ্য

ঙ্ক ক্ম ত্ব গু ন্ত

আমাৰ দেশ ভাৰত-বৰ্ষৰ কথা কলোঁ। এতিয়া আমাৰ অতিকৈ আপোন অসম দেশৰ কথা শুনা।

পুৰণি কালত অসম দেশৰ নাম আছিল কামৰূপ। আজি কালিৰ বঙ্গদেশৰ প্ৰায় আধা-খিনি কামৰূপৰ ভিতৰত পৰিছিল। ভাটীৰ ৰংপুৰ, জলপাইগুৰি, কোচ-বিহাৰ, মৈমনসিংহ আদি জিলা এই দেশৰ মাজত

আছিল। এতিয়াও ৰংপুৰ কোচ-বিহাৰ আদি ঠাইত অসমীয়া মাত-কথা সাজ-পাৰ খোৱা-বোৱাৰ চিন আছে।

প্ৰায় চৈধ্যশ বছৰৰ পূৰ্বে কুমাৰ ভাস্কৰ বৰ্মা নামেৰে এজন প্ৰতাপী ৰজাই আমাৰ দেশত ৰাজত্ব কৰিছিল। তেওঁ ৰজা হোৱাৰ দুশ বছৰমান পাছত শ্ৰীহৰ্ষদেৱ নামে এজন আমাৰ দেশৰ ৰজা হৈছিল। তেওঁ বঙ্গদেশৰ উপৰিও উৰিষ্যা দেশখনকো তেওঁৰ অধীন কৰিছিল। তেওঁৰ কন্যা এগৰাকীক নেপালৰ ৰজাৰ লগত বিয়া দিছিল।

ইয়াৰ কেইশ-মান বছৰৰ পাছত আহোম-বিলাকে উজনি অঞ্চল অধিকাৰ কৰে। আহোম-বিলাক আগত ব্ৰহ্ম দেশৰ মানুহ আছিল। এওঁবিলাকে আমাৰ দেশত দুশ বছৰ ৰাজত্ব কৰে।

আহোম-বিলাকে যেতিয়া উজনি অসমত ৰজা হয়, সেই সময়ত ভাটী অঞ্চলত কোচ আৰু ভূঞাৰ ৰাজ্য আছিল। মাজ ভাগত কছাৰী-বিলাক ৰজা আছিল।

আহোম ৰজাসকলৰ ভিতৰত ৰুদ্ৰসিংহ আৰু কোচ ৰজাসকলৰ মাজত নৰনাৰায়ণ সৰ্বপ্ৰধান ৰজা আছিল।

এতিয়াৰপৰা ছকুৰি বছৰমান আগতে মান-বিলাকে আমাৰ দেশত অত্যাচাৰ কৰে। আহোম ৰজাৰ দুজনা ডাঙৰ বিষয়াৰ ভিতৰত বিবাদৰ ফলত হে মান আমাৰ দেশলৈ আহিবলৈ পালে। মানৰ দিনৰ কথা এতিয়াও আমাৰ মানুহে পাহৰা নাই।

( ৫ )

সেই সময়ত বঙ্গদেশ ইংৰাজৰ অধীন আছিল। ইংৰাজে মানৰ পৰা আমাৰ দেশ অধিকাৰ কৰি লয়।

তেতিয়াৰপৰা আমাৰ দেশত তিমান যুঁজ-বাগৰ অত্যাচাৰ অনাচাৰ হোৱা নাই। বেহা-বেপাৰ আদিতো কিছু উন্নতি হৈছে। কিন্তু আমাৰ বেহা-বেপাৰ বিদেশীৰ হাতত।

এতিয়া অসমীয়া মানুহে পৰিশ্ৰম কৰি ধন উপাৰ্জন কৰিব লাগে, বেহা-বেপাৰ ভালকৈ পাতিব লাগে, প্ৰতি ক্ষণতে এবিধ নে এবিধ কাম কৰিব লাগে, নিজৰ মাজত হিংসা কুচুৰ্ত এৰিব লাগে। তেহে আমি বলী ধনী আৰু সুখী জাতি হম।



# ষষ্ঠ পাঠ

## অংক বা অঙ্ক

ষ+ঠ=ষ্ঠ, ষষ্ঠম ঙ+ক=ঙ্ক, অঙ্ক

ত+ৰ=ত্ৰ, ত্ৰিশ ল+ল=ল্ল, চল্লিশ

ঞ+চ=ঞ্চ, পঞ্চাচ

ষ্ট, ঙ্ক, ত্ৰ, ল্ল, ঞ্চ, স্কু

আমি অলপ অলপ পঢ়া শিকিলো। আখৰো লিখিব পৰা হলো। এতিয়া আমি অংক শিকিব লাগে। 'অংক' এই দৰে নিলিখি 'অঙ্ক' এইদৰে লিখিলেও হয়।

আচলতে তোমালোক সকলোৱে অংক জানা। জানা যে এই কথা কিজানি গমিছে চোৱা নাই।

যেনে এক, দুই, তিনি, চাৰি—ইত্যাদি ক্ৰমত কুৰিলৈকে গণিব (লেখিব) নোৱাৰা মানুহ ইয়াত কোনো নাই। গণাচোন বাৰু ত্ৰিশ চল্লিশ পঞ্চাশ—কিমান হয় বাৰু? এয়ে অঙ্ক।

## অংক বা অঙ্ক

## যোগ আৰু বিয়োগ

### ( ২ )

আৰু চোৱা। আমি আজি ইস্কুলত একৈশ জন মানুহ আছো। এতিয়া যদি আৰু চাৰি জন আহি পায় কিমান হব? পঁচিশ জন।

আকৌ এই একৈশ জনৰ পৰা যদি পাঁচজন ঘৰলৈ গুচি যায়, কেইজন থাকিব? ষোল জন।

এইবোৰ অংক। ইয়াৰ প্ৰথমটো যোগ আৰু দ্বিতীয়টো বিয়োগ।

## ( ৩ )

## পূৰণ আৰু হৰণ

পূৰণ আৰু হৰণ অঙ্কৰ নাম শুনিছা কিজানি। তাকো তোমালোকে জানা। চোৱা বাৰু।

আমাৰ এজনৰ হাতত দুখনকৈ কিতাপ আছে। দহজনৰ হাতত কেইখন থাকিব ? কুৰিখন।

বজাৰত পইচাত চাৰিটাকৈ তামোল বিক্ৰী হয়। তুমি তামোল বেচা। ছয় পইচাত কিমান তামোল দিবা ? চৌবিশটা। এয়ে পূৰণ অঙ্ক।

মোৰ ঘৰত পাঁচোটা লৰা-ছোৱালী আছে। আজি দহোটা আম লৈ ঘৰলৈ গলো। লৰা-ছোৱালীহঁতক পাইপতি কেইটাকৈ দিব পাৰিম ? দুটাকৈ।

আমি ইয়াত আঠজন মানুহ আছোঁ। আমাক তামোল খাবলৈ এই বাটতে গাঁও-বুঢ়াই কুৰিখন তামোল দিলে। ভাগেপতি কেইখন কৈ পৰিব আৰু কিবা তামোল বাকী থাকিব নে? ভাগেপতি দুখন কৈ পৰিব। আৰু চাৰিখন তামোল বেছি হব।

এইবোৰেই হৰণ অঙ্ক।

---

# সপ্তম পাঠ

প+ত=প্ত, সপ্তম

## যোগ আৰু বিয়োগ অংক

১। ৮+২+৫=

৯+৩+৭=

৩+২+১=

৫+৭+৩=

১০+৫+১০=

২। ৫−৩=

৭−৩=

২০−১০=

৩০−৫=

২৫−৭=

৩। ৭+৩−৯=

১২+৪−৮=

৬−৪+২=

১৫−৫+৩=

২০+৫−১০=

৩০−১০+৭=

# অষ্টম পাঠ।

ষ+ট=ষ্ট অষ্টম, আগষ্ট

(১)

## সাত বাৰ

স+প=স্প, বৃহস্পতি।
প+ত=প্ত, সপ্তাহ।

দেও সোম মঙ্গল বুধ
বৃহস্পতি শুকুৰ শনি।
সাত দিনে এক সপ্তাহ
এইদৰে লোৱা গণি॥

(২)

বাৰ মাহ ( অসমীয়া )

বহাগ জেঠ আহাৰ শাওণ
ভাদ আহিন কাতি।
আঘোণ পুহ মাঘ ফাগুন
চৈতে সৈতে জানি থোৱা,
মাহ বাৰটি ॥

(৩)

ক+ট=ক্ট, অক্টোবৰ
ম+ব=ম্ব, অম্বৰ
প+ত=প্ত, চেপ্তেম্বৰ

বাৰ মাহ ( ইংৰাজী )

জানুৱাৰী—৩১ দিন।
ফেব্ৰুৱাৰী—২৮ দিন।

মার্চ—৩১ দিন।

এপ্রিল—৩০ দিন।

মে—   ৩১ দিন।

জুন—   ৩০ দিন।

জুলাই—৩১ দিন।

আগষ্ট—৩১ দিন।

চেপ্তেম্বৰ—৩০ দিন

অক্টোবৰ—৩১ দিন।

নবেম্বৰ— ৩০ দিন।

ডিচেম্বৰ—৩১ দিন।

---

# নৱম পাঠ।

## ভাপ

ন+ধ=ন্ধ, ৰন্ধা
ন+দ=ন্দ, বিন্দু
স+ত+উ=স্তু, বস্তু

(১)

পানী তপতোৱা সকলোৱে দেখিব পোৱা। আগেয়ে যদি ভালকৈ মন কৰা নাই, এতিয়াৰপৰা ভালকৈ মন কৰিবা।

ভাত ৰান্ধোঁতে বা চাহ তপতাওঁতে চাবা। পানী তপত হৈ অহাৰ লগে লগে পানীৰ ওপৰৰপৰা ধোঁৱাৰ দৰে কিছুমান বস্তু ওপৰলৈ উৰি যোৱা দেখিবা। তপত চাহৰ বাটিৰপৰা, তপত ভাতৰ

কাঁহিৰ পৰাও এনেকুৱা ধোঁৱা উঠা দেখিবা।

এয়ে ভাপ। তাপ পালেই পানীৰ পৰা ভাপ উঠে।

ভাপ উঠি থাকোঁতে চিলেঠ এখন তাৰ ওপৰত ধৰা। দেখিবা চিলেঠ খনত খুদ খুদ পানীৰ টোপাল বান্ধিছে।

চিলেঠ নধৰি চেঁচা যেই সেই বস্তু ধৰিলেই তেনে পানীৰ বিন্দু দেখিবা।

(২)

সূৰ্য্যৰ তাপ পৃথিৱীৰ সকলো বস্তুৰ ওপৰতে পৰে। পানীৰ ওপৰতো পৰে।

ৰদৰ তাপ পাই পানীৰ পৰা ভাপ উঠে। পৃথিৱীৰ খাল বিল নদী সাগৰ যতে যিমান পানী আছে সকলোৰে পৰা এইদৰে ভাপ উঠে। ভাপ বতাহতকৈ পাতল। ভাপ উঠি আকাশলৈ যায়।

আকাশৰ ওপৰ ফালৰ বতাহ চেঁচা। এই চেঁচা বতাহত লাগি ভাপ পানীৰ খুদ খুদ বিন্দু হয়। এয়ে মেঘ।

মেঘেই বৰষুণ হৈ মাটিত পৰে। তাৰে পৰাই পানী।

পানী কেনেকৈ ঘূৰি থাকে চোৱা। পানীৰ পৰা ভাপ—ভাপৰ পৰা মেঘ—মেঘৰ পৰা বৰষুণ—বৰষুণৰ পৰা আকৌ পানী।

---

## দশম পাঠ।

হ্ব ঙ্ক ন্তু ন্ন ন্ত্র দ্ব স্ব হৃ

ম্প হ্ন ম্ফ ন্ট ন্দ স্তু

### ভোট দিয়া

'ভোট দিয়া কথাটো আমি সকলোৱে ভু পাওঁ। ভোট দি আমি একোজন

মেম্বৰ বাচি দিওঁ। তেওঁ আমাৰ প্ৰতি-নিধি অৰ্থাৎ আমাৰ হৈ আমাৰ হকে কথা-কওঁতা আৰু কাম কৰোঁতা। গতিকে আমাৰ প্ৰতিনিধিজন ভাল জনা-বুজা মানুহ হব লাগে। ৰাইজৰ মঙ্গলৰ অৰ্থে কাম কৰোঁতা মানুহ হব লাগে, কোনো কথাত নিজৰ বেয়া হলেও ৰাইজৰ ভাল চিন্তিব লাগে।

আমাৰ এই প্ৰতিনিধিসকলে গোটখাই লোকেলবোৰ্ড মিউনিচিপেল বোৰ্ড আৰু এচেম্ব্লি আৰু কাউনচিল গঠন কৰে।

এচেম্ব্লিৰ মেম্বৰ-সকলৰ মাজৰপৰা গভৰ্ণৰ চাহাব বাহাদুৰে মন্ত্ৰীসকল নিয়োগ কৰে। এওঁলোকেই আমাৰ দেশ চলায়। সকলো শাসনৰ ভাৰ তেওঁলোকৰ ওপৰত।

# একাদশ পাঠ।

## লোকেলবোৰ্ড

(১)

একোখন মহকুমাৰ কাৰণে একোখন লোকেলবোৰ্ড সভা গঠন কৰা হয়। এওঁলোকৰ কাম প্ৰধানকৈ তিনিটা। প্ৰথম, প্ৰাইমাৰী শিক্ষাৰ ভাৰ লোৱা, দ্বিতীয়, গাঁৱলীয়া মানুহৰ স্বাস্থ্যৰ প্ৰতি চকু দিয়া আৰু তৃতীয় গাঁৱলীয়া আলি বাট তৈয়াৰ কৰি তাক ভাল কৰি ৰাখা। পানীৰ পুখুৰী নাদ আদি খনোৱা আৰু হস্পিতাল পাতি দিয়া এই সভাৰ কৰ্ত্তব্য। এই দুটা কাম স্বাস্থ্য ৰক্ষাৰ প্ৰধান উপকৰণ।

এই সভালৈকে ৰাইজে ভোট দি মেম্বৰ বাচি পঠিয়ায়।

লোকেলবোৰ্ডে গাওঁবিলাকৰ ভালৰ হকে যি যি কাম কৰে মিউনিচিপেল বোৰ্ডে চহৰৰ ভালৰ অৰ্থে যেই সেই কামকে কৰিব লাগে। ইয়াৰ উপৰি চহৰত চাকি দিয়াও এই সভাৰ কাম।

( ২ )

কিন্তু আচল কথা হৈছে, এইবিলাক কাম হয় নে নহয়, ভালকৈ হয় নে বেয়াকৈ হয়—এই সকলোবিলাক কথা আমাৰ নিজৰ ওপৰত নিৰ্ভৰ কৰে। ওপৰৰ এইবিলাক সভালৈ আমি নিঃস্বাৰ্থ নিৰ্লোভ কাৰ্য্যক্ষম আৰু চৰিত্ৰৱান মানুহ পঠাব লাগে। তেনে মানুহক আমি ভোট দিব লাগে।

ইয়াতেই কিন্তু আমাৰ কৰ্ত্তব্য শেষ নহয়। আমি নিজে নিজৰ ঘৰ-বাৰী বাট পদূলি চাফা কৰি ৰাখিব লাগে। ভাল পানীটোপাৰ যোগাৰ কৰিব লাগে। গাৱঁৰ আটাই মানুহকে মাতি বুলি আনি গাৱঁৰ অহা-যোৱা বাট, পানী যোৱা বৈ, নাম-ঘৰ, মছজিদ ঘৰ, স্কুলঘৰ আদি ভাল কৰি ৰাখিব লাগে। গাৱঁত যাতে দুষ্ট মানুহে দুষ্টালি কৰিব নোৱাৰে আৰু খলুৱা মানুহে খল লগাই হাই-কাজিয়া মেল-মকৰ্দ্দমা কৰাব নোৱাৰে তাৰ প্ৰতি চকু দিব লাগে। কোনো দন্দ-পেচাল লাগিলেও গাৱঁৰ মুখিয়াল মানুহৰ কথা শুনি সেই মেল গাৱঁতে মাৰিব লাগে।

আজি কালি দেশত চোৰ বদ্‌মাইচ বহুত হল। বিদেশৰপৰাই তেনে মানুহ বেছিকৈ আহে। সেইবোৰ মানুহৰ দগা-

বাজি দমন কৰিবৰ কাৰণে গাৱঁৰ ডেকা-সকল সষ্টম হব লাগে ।

---

## দ্বাদশ পাঠ

### সময়ৰ সদ্ ব্যৱহাৰ

আমাৰ দেশত নানা বিধ বস্তু জাত হয় । আমি ইবিলাকৰ বহুতৰে ভাল ব্যৱহাৰ নকৰোঁ । আৰু ধান খেতিৰ সময়ৰ বাহিৰে আমি বহুত সময় অবাবত কটাওঁ । ইয়াৰপৰা আমি দুখীয়া হৈ গৈছোঁ । আজি কালি তামোল কটা কটাৰীখনো আন দেশৰপৰাহে কিনি আনিব লাগে । আমাৰ দেশত বাঁহ কাঠ বেত যতে ততে পায় । লোহা কিনি

আনিবলগীয়া হলেও পোৱা যায়। আমি বহি নাথাকি বিহ-কৰম্ সূতাৰৰ কাম কমাৰৰ কাম, কাপোৰ বোৱা, সূতা কটা এইবোৰ কাম কৰিব লাগে। শাকৰ খেতিৰপৰাও বহু লাভ হয়।

ইয়াৰ বাহিৰে ধেমালি ৰং উৎসৱ এইবোৰো পাতিব লাগে। দোল ভঠেলি ৰাজহুৱা সভা, বৰনাম, যাত্ৰা ভাওনা মাল-যুঁজ ইত্যাদি সময় মতে পাতি আমি আনন্দ উৎসৱ কৰিব লাগে। তেতিয়া আমি নিৰোগী উৎসাহী শিক্ষিত আৰু সুখী হব পাৰিম।

---

# ত্ৰয়োদশ পাঠ।

দ্ব স্ত শ্ব স্ক

## চিঠি-লেখা

আজি আমি চিঠি কেনেকৈ লিখিব লাগে শিকোহঁক। শিক্ষক মহাশয়ে কত কি লিখিব লাগে বুজাই দিব।

এতিয়া তোমালোকে তলত দিয়া চিঠিখন পঢ়া, তাৰ পাচত চাই চাই লিখা।

ন-পমুৱা গাওঁ
বৰ-পথাৰ পোঃ আঃ
জিলা—শিৱসাগৰ
তাৰিখ ১ বহাগ ১৮৭২ শক

প্ৰিয় শিক্ষক মহাশয়,

তলৰ নামটো দেখিলে আপুনি মোক চিনি নাপাব কিজানি। তাহানিখন

আপুনি জন-শিক্ষা অভিযানৰ কাগজত যি বিলাক মানুহক লেখা-পঢ়া শিকাইছিল, ময়ো তাৰে এজন। মই নগাওঁ জিলাৰ কামপুৰৰ মানুহ। তেতিয়া আপুনি কথাই কথাই কৈছিল যে আমাৰ দেশত বহুতো হাবি মাটি আছে, আৰু আমাৰ নিচিনা যিবিলাক মানুহ ঘন বস্তিত আছে সেই বিলাকৰ কিছু কিছু গৈ এই হাবি মাটি দখল কৰিব লাগে। আপুনি তেতিয়া বৰপথাৰত মাটি আছিল বুলিও কৈছিল।

মই আপোনাৰ কথাকে সাৰ মানি বৰপথাৰলৈ আহি ইয়াতে পোনতে ত্ৰিশ বিঘা মাটি ললোঁ। প্ৰথম বছৰত মাটি ভাঙি তুলি বেছি খেতি কৰিব নোৱাৰিলোঁ। কেই-জোপামান কল আৰু মাটি-কঠালৰ পুলি ৰুইছিলো। তাৰেই কোনো প্ৰকাৰে বছৰটো তৰিলো।

এতিয়া মই আহু-শালি দুয়ো বিধৰে খেতি কৰোঁ। কল, মাটি-কঠাল, অমিতা আৰু কুঁহিয়াৰ এইবোৰো জোখাৰে ৰুইছোঁ। বতৰত শাক পাচলি কবি মূলা লাও কোমোৰা জিকা ভোল বাঙি তৰমুজা আদি চহো কৰো।

মোৰ এতিয়া দুহাল হালোৱা গৰু আছে; আৰু পাঁচ-ছয়জনীমান ভাল গাই পুহিছোঁ। ঈশ্বৰৰ কৃপাত আৰু আপোনা-লোকৰ আশীৰ্ব্বাদত মোৰ এতিয়া খোৱা-লোৱাৰ দুখ নাই।

আজি আঠ বছৰমান হল মই বৰ পথাৰলৈ আহিয়েই বিয়া কৰালো। ঘৈণীজনী কাম কাজত বেয়া নহয়। তাইৰো ছপা আখৰ পঢ়িবৰ বৰ মন। মোৰ লগত অলপ অলপ শিকিছে;

আৰু আপোনালৈ লিখা এই চিঠিখন পঢ়িব পাৰিছে। চিঠিখন ভাল হৈছে বুলি কৈছে। তাই বোৱন-কাটন কিছু জানে। ইয়াৰ লগতে এখন গামোছা বিহুৱান পঠালো। আপোনাৰ যোগ্য নহলেও নিঃকিনৰ মৰমৰ চিন বুলি নিঘিণাই লব।

আপোনালোকৰ কৃপাত এতিয়া আমাৰ লৰা-ছোৱালী তিনিটী। ডাঙৰটো আৰু সৰুটো লৰা। মাজত ছোৱালীজনী। ডাঙৰ লৰাটো স্কুললৈ যায়, আৰু লিখিব পঢ়িব পাৰে। তাৰ আখৰবোৰ মোৰ আখৰতকৈ ভাল হৈছে। তাইঁতকো হাল-কোৰ বোৱন কাটন আদি ঘৰৰ কাম শিকাইছোঁ।

আপোনাৰ অনুগ্ৰহত মোৰ চকু মেল খালে। আপোনাৰ গুণ সদায় বখানি

আছোঁ। আজি বছৰেকীয়া বিহুৰ উপলক্ষে আপোনাক নমস্কাৰ জনালোঁ। ইতি—

বিনীত—
শ্ৰীমদন চন্দ্ৰ কলিতা

---

খামৰ ওপৰত বিয়োগ লেখাৰ নিয়ম।

শ্ৰীযুক্ত ধনেশ্বৰ শইকীয়া
শিক্ষক মহাশয় সমীপেষু
পোঃ আঃ—কামপুৰ।
জিলা—নগাওঁ।

# চতুৰ্দ্দশ পাঠ।

## পূৰণ নেওতা

### ১ৰ পৰা ১০ৰ ভাগলৈ।

| | | |
|---|---|---|
| ১× ১= ১ | ২× ১= ২ | ৩× ১= ৩ |
| ১× ২= ২ | ২× ২= ৪ | ৩× ২= ৬ |
| ১× ৩= ৩ | ২× ৩= ৬ | ৩× ৩= ৯ |
| ১× ৪= ৪ | ২× ৪= ৮ | ৩× ৪=১২ |
| ১× ৫= ৫ | ২× ৫= ১০ | ৩× ৫=১৫ |
| ১× ৬= ৬ | ২× ৬= ১২ | ৩× ৬=১৮ |
| ১× ৭= ৭ | ২× ৭= ১৪ | ৩× ৭=২১ |
| ১× ৮= ৮ | ২× ৮= ১৬ | ৩× ৮=২৪ |
| ১× ৯= ৯ | ২× ৯= ১৮ | ৩× ৯=২৭ |
| ১×১০=১০ | ২×১০= ২০ | ৩×১০=৩০ |
| ৪× ১= ৪ | ৫× ১= ৫ | ৬× ১= ৬ |
| ৪× ২= ৮ | ৫× ২= ১০ | ৬× ২=১২ |
| ৪× ৩=১২ | ৫× ৩= ১৫ | ৬× ৩=১৮ |
| ৪× ৪=১৬ | ৫× ৪= ২০ | ৬× ৪=২৪ |
| ৪× ৫=২০ | ৫× ৫= ২৫ | ৬× ৫=৩০ |
| ৪× ৬=২৪ | ৫× ৬= ৩০ | ৬× ৬=৩৬ |
| ৪× ৭=২৮ | ৫× ৭= ৩৫ | ৬× ৭=৪২ |
| ৪× ৮=৩২ | ৫× ৮= ৪০ | ৬× ৮=৪৮ |
| ৪× ৯=৩৬ | ৫× ৯= ৪৫ | ৬× ৯=৫৪ |
| ৪×১০=৪০ | ৫×১০= ৫০ | ৬×১০=৬০ |

| | | |
|---|---|---|
| ৭×১=৭ | ৮×১=৮ | ৯×১=৯ |
| ৭×২=১৪ | ৮×২=১৬ | ৯×২=১৮ |
| ৭×৩=২১ | ৮×৩=২৪ | ৯×৩=২৭ |
| ৭×৪=২৮ | ৮×৪=৩২ | ৯×৪=৩৬ |
| ৭×৫=৩৫ | ৮×৫=৪০ | ৯×৫=৪৫ |
| ৭×৬=৪২ | ৮×৬=৪৮ | ৯×৬=৫৪ |
| ৭×৭=৪৯ | ৮×৭=৫৬ | ৯×৭=৬৩ |
| ৭×৮=৫৬ | ৮×৮=৬৪ | ৯×৮=৭২ |
| ৭×৯=৬৩ | ৮×৯=৭২ | ৯×৯=৮১ |
| ৭×১০=৭০ | ৮×১০=৮০ | ৯×১০=৯০ |

| |
|---|
| ১০×১=১০ |
| ১০×২=২০ |
| ১০×৩=৩০ |
| ১০×৪=৪০ |
| ১০×৫=৫০ |
| ১০×৬=৬০ |
| ১০×৭=৭০ |
| ১০×৮=৮০ |
| ১০×১০=৯০ |

# পঞ্চদশ পাঠ

## পূৰণ আৰু হৰণ অংক

১। ২ × ৩ =     ৩ × ২ × ৫ =

৩ × ৫ =     ৯ × ৭ × ০ =

৭ × ৭ =     ১৫ × ২ × ৩ =

২। ১০ ÷ ২ =     ৯০ ÷ ৯ =

১৫ ÷ ৩ =     ৩৫ ÷ ৭ =

৫০ ÷ ১০ =     ৮৭ ÷ ৩ =

৩। ৫ × ৪ ÷ ২ =     ১২ ÷ ৬ × ২ =

৭ × ৬ ÷ ৩ =     ৭ ÷ ৪ × ৮ =

৯ × ৮ × ৬ =     ১৭ × ৩ ÷ ৩ =

৪। এজন খেতিয়কে প্ৰতিটোত ১৭৲ টকাকৈ তিনিটা বাজন (বলদ) গৰু কিনিলে। তেওঁৰ কিমান টকা লাগিব ?

৫। এজন মানুহে গুৰ বেচি ৪৮৲ টকা আনিছে। তেওঁৰ আৰু তিনিজন ভগীয়া আছিল। গাইপতি কেই টকাকৈ পালে?

৬। এজন বেপাৰীয়ে ২০৲ টকা ৰূপেৰে ৫৷ মোণ গাখীৰ কিনি মোণত ৫৲ টকাকৈ বেচিলে তেওঁৰ কিমান লাভ হল?

---



# ষষ্টদশ পাঠ

## আৰ্য্যা

১। টকা অনা পাই।

৩ পাই = ১ পইচা—৷৩

৪ পইচা বা ১২ পাই = ১ অনা ৴০

৪ অনা = ১ সিকি বা মহা ।০

১৬ অনা বা ৪ সিকি } = ১ টকা—১৲

২। মোণ সেৰ ছটাক তোলা।

৫ তোলা = ১ ছটাক—৴৴০

২০ তোলা ৪ ছটাক = ১ পোৱা—৴।

৪ পোৱা = ১ সেৰ—৴১

৪০ সেৰ = ১ মোণ—১৴

৩। গজ ফুট ইঞ্চি

১২ ইঞ্চি=১ ফুট

১৮ ইঞ্চি বা দেৰ ফুট=১ হাত

৩ ফুট বা দুই হাত=১ গজ

—ঃ০ঃ—

তোমাৰ নাম তলত লেখা

নাম________________________

গাওঁ________________________

পোঃ আঃ____________________

জিলা________________________

আজি তুমি জনশিক্ষা অভিযানৰ পঢ়া কাম শেষ কৰিলা। বোলা দেশৰ উদ্‌গতি হওক। মানুহৰ আয়ু, শ্ৰী ধন বাঢ়ক। সকলোৰে জয় হওক। জয় অসমীয়া জাতিৰ জয়।

—০ঃঃ০—

সামাজিক শিক্ষা বিভাগৰ হকে
শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্ত
দ্বাৰা প্ৰকাশিত

গুৱাহাটী ট্ৰিবিউন প্ৰেছত, শ্ৰীকুঞ্জলাল থাপাৰ দ্বাৰা মুদ্ৰিত।